ক্বিয়ামতৰ দিনা বান্দাৰ ভৰি তেতিয়ালৈকে আগবাঢ়িব নোৱাৰিব যেতিয়ালৈকে তাক এই কেইটা প্ৰশ্ন কৰা নহ'ব। তাৰ আয়ুস সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যয় কৰিছে। তাৰ জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যৱহাৰ কৰিছে, তাৰ ধন-সম্পদ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি এইবোৰ কেনেকৈ উপাৰ্জন কৰিছিল আৰু ক'ত ব্যয় কৰিছিল, লগতে তাৰ শৰীৰ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক কেনেকৈ কামত লগাইছে।

আবূ বাৰঝাহ আল-আছলামী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "ক্বিয়ামতৰ দিনা বান্দাৰ ভৰি তেতিয়ালৈকে আগবাঢ়িব নোৱাৰিব যেতিয়ালৈকে তাক এই কেইটা প্ৰশ্ন কৰা নহ'ব। তাৰ আয়ুস সম্পৰ্কে
প্ৰশ্ন কৰা হ'ব, সি ইয়াক ক'ত ব্যয় কৰিছে। তাৰ জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক
ক'ত ব্যৱহাৰ কৰিছে, তাৰ ধন-সম্পদ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি এইবোৰ কেনেকৈ উপাৰ্জন কৰিছিল আৰু ক'ত ব্যয় কৰিছিল, লগতে তাৰ শৰীৰ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি ইয়াক কেনেকৈ
কামত লগাইছে।"
[ছহীহ] [(তিৰমিজী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কিয়ামতৰ দিনা হিচাপ নিকাচৰ ঠাইৰ পৰা জান্নাত অথবা জাহান্নামৰ পিনে কোনেও আগবাঢ়িব নোৱাৰিব, যেতিয়ালৈকে তাক এই কেইটা প্ৰশ্ন কৰা নহ'বঃ প্ৰথমঃ তাৰ আয়ুস সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সি এই আয়ুস ক'ত পাৰ কৰিছে, কি কামত ব্যৱহাৰ কৰিছে? দ্বিতীয়ঃ তাৰ ইল্ম বা জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰা হ'ব যে, সি আল্লাহৰ উদ্দেশ্যে ইল্ম অৰ্জন কৰিছিলনে? আৰু সেই ইল্ম মুতাবিক আমল কৰিছিলনে? লগতে মানুহক সেই জ্ঞান পৌঁচাই দিছিলনে? তৃতীয়ঃ তাৰ ধন-সম্পদ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, কেনেকৈ উপাৰ্জন কৰিছিল, হালাল পথেৰে নে হাৰাম পথেৰে? আৰু ক'ত ব্যয় কৰিছিল? আল্লাহৰ সন্তুষ্টিমূলক শিতানত নে ক্ৰোধান্বিত কৰিব পৰা শিতানত? চতুৰ্থঃ তাৰ শৰীৰ, শক্তি, সুস্থতা আৰু যৌৱন সম্পৰ্কে প্ৰশ্ন কৰা হ'ব, সেয়া কি কামত ব্যৱহাৰ কৰিছিল?

http://www.sunnah.global/hadeeth/as/show/4950